**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-12-2024
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***
-----------

০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে দেশ আত্মনিৰ্ভৰশীল হোৱাৰ দিশত ইতিমধ্যে অগ্ৰসৰ হৈছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ মানৱাধিকাৰ দিৱস উপলক্ষে ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানক সম্বোধন কৰিব।

৩। সংসদৰ উভয় সদনৰ কাম-কাজ আজি বিভিন্ন বিষয়ক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

৪। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে আজি বিয়লি ঢাকাত বাংলাদেশৰ বিদেশ সচিব মহম্মদ জশ্বিম উদ্দিনৰ সৈতে প্ৰতিনিধি পৰ্য্যায়ৰ আলোচনাত মিলিত হয়।

***আৰু***

৫। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে সঞ্জয় মালহোত্ৰাক নিযুক্তি দিয়া হৈছে। তেওঁ ১১ ডিচেম্বৰত কাৰ্য্যভাৰ গ্ৰহণ কৰিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে দেশ আত্মনিৰ্ভৰশীল হোৱাৰ দিশত ইতিমধ্যে অগ্ৰসৰ হৈছে। আত্মনিৰ্ভৰ ভাৰত অভিযান আৰু ইয়াৰ প্ৰভাৱক গোলকীয় স্তৰৰ বুলি মন্তব্য কৰি শ্ৰীমোদীয়ে চৰকাৰে এই সন্দৰ্ভত সামগ্ৰিক প্ৰচেষ্টাৰে আগবাঢ়িছে বুলিও লগতে কয়। আজি উদ্বোধন কৰে। আজি ৰাজস্থানৰ জয়পুৰৰ প্ৰদৰ্শনী আৰু অভিৰৰ্তন কেন্দ্ৰত ৰাইজিং ৰাজস্থান বিশ্ব বিনিয়োগ শীৰ্ষ সন্মিলন - ২০২৪ উদ্বোধন কৰি শ্ৰী মোদীয়ে কয়, যে বৰ্তমান দেশৰ প্ৰতিটো খণ্ডত সংস্কাৰ, প্ৰদৰ্শন আৰু ৰূপান্তৰৰ মন্ত্ৰ অনুসৰণ কৰাৰ ফলত উল্লেখনীয় প্ৰগতি দেখিবলৈ পোৱা গৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিশেষজ্ঞ আৰু বিনিয়োগকাৰীসকল আমাৰ দেশক লৈ বিশেষভাৱে উৎসাহী হৈ পৰা বুলিও শ্ৰী মোদীয়ে মন্তব্য কৰে। তেওঁ কয় যে বৰ্তমানৰ শতিকা প্ৰযুক্তি আৰু তথ্য চালিত আৰু ভাৰতে গণতন্ত্ৰ, জনগাঁথনি আৰু তথ্যৰ প্ৰকৃত শক্তি বিশ্বৰ সন্মুখত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। দেশলৈ অহা পৰ্য্যটকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি পাই অহা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে থলুৱা

পৰ্য্যটনে নিৰন্তৰ নতুন অভিলেখ গঢ়ি থকা বুলিও মন্তব্য কৰে। দেশৰ অৰ্থনীতিক সৱল কৰি তোলাৰ ক্ষেত্ৰত ক্ষুদ্ৰ, মজলীয়া আৰু লঘূ উদ্যোগসমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে বুলিও তেওঁ লগতে কয়। চৰকাৰে বিভিন্ন নীতি আৰু আঁচনিৰ জৰিয়তে এই ক্ষুদ্ৰ, মজলীয়া আৰু লঘূ উদ্যোগসমূহক সৰ্বতোপ্ৰকাৰে সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত কাম কৰি আহিছে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়াণাৰ পানীপটত মহিলাসকলৰ মাজত বিত্তীয় সাক্ষৰতা আৰু বীমা সম্বন্ধীয় সজাগতাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে বীমা সখী আঁচনি মুকলি কৰে। ভাৰতীয় জীৱন বীমা নিগমৰ উদ্যোগত আৰম্ভ কৰা এই আঁচনিখনে দশম শ্ৰেণী উত্তীৰ্ণ ১৮ৰ পৰা ৭০ বছৰ বয়সৰ মহিলাসকলক বিশেষ প্ৰশিক্ষণ প্ৰদান আৰু প্ৰথম তিনি বছৰৰ বাবে মাননী প্ৰদানৰ জৰিয়তে সৱল কৰি তুলিব। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে বীমা সখীসকলৰ মাজত নিয়োগৰ প্ৰমাণপত্ৰ বিতৰণ কৰে। অনুষ্ঠানত উপস্থিত জনগণক সম্বোধন কৰি শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰে যোৱা ১০ বছৰত মহিলাৰ সৱলীকৰণৰ বাবে কেইবাটাও উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰিছে আৰু বীমা সখী আঁচনি সেই পদক্ষেপৰেই অন্যতম উদাহৰণ। অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয়, যে চৰকাৰে বীমা সখী আঁচনিৰ অধীনত তিনি বছৰত ২ লাখৰো অধিক মহিলাক নিয়োগ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ কৰ্ণালৰ মহাৰাণা প্ৰতাপ উদ্যান শস্য বিশ্ববিদ্যালয়ৰ মূল চৌহদৰ আধাৰশিলাও স্থাপন কৰে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ মানৱাধিকাৰ দিৱস উপলক্ষে ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে নতুন দিল্লীত আয়োজন কৰা অনুষ্ঠানক সম্বোধন কৰিব। প্ৰতি বছৰে ১০ ডিচেম্বৰত উদযাপন কৰা মানৱাধিকাৰ দিৱসৰ এই বছৰৰ বিষয়বস্তু হৈছে - **আমাৰ অধিকাৰ, আমাৰ ভৱিষ্যৎ, এতিয়াই**। এই বিষয়বস্তুৱে মানৱাধিকাৰ যে কেৱল এটা আকাংক্ষাই নহয়, বৰঞ্চ ই ব্যক্তি আৰু সম্প্ৰদায়ক সৱল কৰি তেওঁলোকৰ উন্নত ভৱিষ্যৎ নিৰ্মাণৰ ব্যৱহাৰিক আহিলা - এই ধাৰণাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে এটা বিবৃতিযোগে প্ৰকাশ কৰিছে যে, কাইলৈ মানৱাধিকাৰ দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি মানসিক উৎকৰ্ষ সাধন - শ্ৰেণীকোঠাৰ পৰা কৰ্মক্ষেত্ৰলৈকে মানসিক চাপ নিয়ন্ত্ৰণ সন্দৰ্ভত এখন দিনজোৰা ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে।

0000000

সংসদৰ উভয় সদনৰ কাম-কাজ আজি বিভিন্ন বিষয়ক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পূৰ্বে দেশৰ এটা আগশাৰীৰ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ গোচৰ আৰু কংগ্ৰেছ নেতাসকলৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা সংস্থাৰ সৈতে সম্পৰ্ক থকা বুলি উঠা অভিযোগক কেন্দ্ৰ কৰি শাসক আৰু বিৰোধী পক্ষই পৰস্পৰৰ বিপক্ষে অভিযোগ-প্ৰতি-অভিযোগ উত্থাপন কৰি হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে আৰু কাৰ্য্য-ক্ৰমণিকা বাৰে বাৰে বাধিত হয়। এনে পৰিস্থিতিত উভয় সদনৰ সভাপতি দুগৰাকীয়ে কাৰ্য্য-ক্ৰমণিকা কেইবাবাৰো স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাত আজি কংগ্ৰেছ, ডি এম কে আৰু বিৰোধীপক্ষৰ অন্য দলৰ সদস্যসকলে এটা আগশাৰীৰ ব্যৱসায় গোষ্ঠীৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগক আৰু অন্য বিষয় লৈ সদন উত্তাল কৰি তোলে। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে দুপৰীয়া সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰে'ল সংশোধনী বিধেয়ক-২০২৪ৰ সন্দৰ্ভত হোৱা আলোচনাৰ উত্তৰ দিয়াৰ চেষ্টা চলায় যদিও প্ৰতিবাদী সদস্যসকলে সদনৰ কামকাজৰ পৰিচালনাত থকা সভাপতিগৰাকীৰ অনুৰোধক আওকাণ কৰি প্ৰতিবাদ অব্যাহত ৰাখে আৰু তিনিবাৰকৈ কাৰ্য্য-ক্ৰমণিকা স্থগিত ৰাখিবলগীয়া হয়।

ৰাজ্য সভাত আজি বিজেপিৰ জ্যেষ্ঠ নেতা জে পি নাড্ডাই কংগ্ৰেছ দলে ৰাষ্ট্ৰীয় সুৰক্ষাৰ অৱমাননা কৰা বুলি অভিযোগ তোলাৰ লগতে কংগ্ৰেছৰ একাংশ নেতা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ছ'ৰছ ফাউণ্ডেছনৰ মাজত যোগসূত্ৰ থকাৰ অভিযোগ কৰে। শ্ৰীনাড্ডাই শাসকীয় পক্ষই সদনৰ কামকাজ চলাই নিয়াটো আৰু শূন্য কালত বিভিন্ন বিষয়লৈ আলোচনা অনুষ্ঠিত হোৱাটো বিচাৰে বুলি উল্লেখ কৰে। তেওঁ লগতে বিৰোধী দলসমূহে সুবিধা অনুসৰি নিজৰ স্থিতি সলনি কৰা বুলি অভিযোগ তোলে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে একে ধৰণৰ মন্তব্য প্ৰকাশ কৰে। ইয়াৰ প্ৰত্যুত্তৰত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই বিজেপিয়ে কংগ্ৰেছক লৈ উত্থাপন কৰা সকলো অভিযোগ নস্যাৎ কৰে। তেওঁ লগতে শাসকীয় পক্ষৰ মনোভাৱত সন্দেহ প্ৰকাশ কৰে আৰু তেওঁলোকেহে সদনৰ কামকাজ চলাই নিয়াৰ পৰিপন্থী সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি অভিযোগ তোলে। সভাপতি জগদীপ ধনখড়ে দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব সদনৰ পবিত্ৰতাৰ বাবে অপৰিহাৰ্য্য বুলি মন্তব্য কৰে আৰু দেশৰ বাবে ভাবুকিৰ সৃষ্টি কৰা প্ৰতিটো অপশক্তিকে চালুকীয়া অৱস্থাতে বিনাশ কৰাটো অতিশয় প্ৰয়োজনীয় বুলি উল্লেখ কৰে। সদনৰ অচলাৱস্থাৰ অন্ত পেলাবলৈ সভাপতিগৰাকীয়ে বিয়লি বিজেপিৰ জেষ্ঠ নেতা জে পি নাড্ডা, বিৰোধীৰ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু আন কেইবাগৰাকীও বিৰোধী পক্ষৰ নেতাৰ সৈতে বৈঠকত মিলিত হয়। সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াৰ উদ্দেশ্যে এই বৈঠকখন কাইলৈ পুৱাৰ ভাগত পুনৰ অনুষ্ঠিত হ'ব বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে আজি বিয়লি ঢাকাত বাংলাদেশৰ বিদেশ সচিব মহম্মদ জশ্বিম উদ্দিনৰ সৈতে প্ৰতিনিধি পৰ্য্যায়ৰ আলোচনাত মিলিত হয়। এদিনীয়া ভ্ৰমণসূচীৰে ঢাকাত উপস্থিত হোৱা শ্ৰীমিশ্ৰীয়ে বাংলাদেশৰ বিদেশ সচিবগৰাকীৰ সৈতে আজি এখন মুখামুখি বৈঠকতো মিলিত হয়। প্ৰতিনিধি পৰ্য্যায়ৰ আলোচনাৰ অন্তত সাংবাদিকৰ সৈতে কথা-বতৰাত বিদেশ সচিবগৰাকীয়ে কয়, যে ভাৰত বাংলাদেশৰ সৈতে ইতিবাচক, গঠনমূলক আৰু পাৰস্পৰিক সৌহাৰ্দ্যমূলক সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে আগ্ৰহী। আজিৰ এই আলোচনাত দুয়োখন চুবুৰীয়া দেশৰ মাজৰ সম্পৰ্কৰ বহুল বিষয়ভিত্তিক আলোচনা হয় বুলি মিশ্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটৰেছে ছিৰিয়াৰ জনসাধাৰণে দেশখনৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব বুলি মন্তব্য কৰিছে। এটা বিবৃতিত গুটৰেছে কয়, যে ছিৰিয়াৰ পৰিৱৰ্তিত পৰিস্থিতিত দেশখনৰ ৰাজনৈতিক পট

পৰিৱৰ্তন সুচাৰু হোৱা উচিত। তেওঁ দেশখনৰ অস্থিৰ পৰিস্থিতি সোনকালেই স্বাভাৱিক হ'ব বুলি আশা প্ৰকাশ কৰে।

আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে, যে ছিৰিয়াৰ ৰাজধানী ডামাস্কাছত কালি বিদ্ৰোহী বাহিনীয়ে দীৰ্ঘদিনীয়া গৃহ যুদ্ধৰ পাছত দেশখনৰ ৰাষ্ট্ৰপতি বাছাৰ আল আশ্বাদক ক্ষমতাচ্যুত কৰে। ইয়াৰ পাছতে দেশখনৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যায়। বিশ্ব সম্প্ৰদায়ৰ লগতে ভাৰতেও ছিৰিয়াৰ পৰিস্থিতিৰ ওপৰত অহৰহ দৃষ্টি ৰাখিছে আৰু ছিৰিয়াত সুস্থিৰতা ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নতুন গৱৰ্ণৰ হিচাপে সঞ্জয় মালহোত্ৰাক নিযুক্তি দিয়া হৈছে। তেওঁ বৰ্তমানৰ গৱৰ্ণৰ শক্তিকান্ত দাসৰ স্থলাভিষিক্ত হ'ব। মালহোত্ৰাই সম্প্ৰতি কেন্দ্ৰীয় ৰাজহ দপ্তৰৰ সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁক ৩ বছৰ কাৰ্যকালৰ বাবে ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ হিচাপে নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ  নিযুক্তি সমিতিয়ে শ্ৰীমালহোত্ৰাৰ নামটো গৱৰ্ণৰ হিচাপে অনুমোদন জনাইছে। ১১ ডিচেম্বৰত তেওঁ দায়িত্বভাৰ গ্ৰহণ কৰিব।

০০০০০০০

ঝাৰখণ্ড বিধানসভাৰ নৱ-নিৰ্বাচিত বিধায়কসকলে আজি বিধানসভাত আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰে। আজি ৰাঁচীৰ বিধানসভা ভৱনত আয়োজিত এটা অনুষ্ঠানত অস্থায়ী অধ্যক্ষ ষ্টিফেন মাৰাণ্ডিয়ে বিধায়কসকলক শপত বাক্য পাঠ কৰায়। প্ৰথমে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেনে শপত গ্ৰহণ কৰে। ইয়াৰ পাছতে শাসকীয় দলৰ ৮০ গৰাকী বিধায়কে শপত লয়। কাইলৈ বিধানসভাৰ নতুন অধ্যক্ষগৰাকীৰ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু মুখ্যমন্ত্ৰী চোৰেনে সদনত আস্থাৰ ভোট বিচাৰিব। কাইলৈয়েই ৰাজ্যপাল সন্তোষ কুমাৰ গংগোৱাৰে ৰাজ্য বিধানসভাত ভাষণ দিব।

০০০০০০০

মানৰ মাস্কটত চলি থকা  মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰত আজি পৰৱৰ্তী গ্ৰুপ পৰ্যায়ৰ খেলত  মালয়েছিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। ভাৰতে যোৱা নিশা বাংলাদেশক ১৩-১ গলৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। অহা বছৰ চিলিত হ'বলগীয়া এফ আই এইছ জুনিয়ৰ বিশ্বকাপৰ বাবে জুনিয়ৰ এছিয়া কাপ প্ৰতিযোগিতাখন যোগ্যতা নিৰ্ণয়কাৰী খেল হিচাপে বিবেচিত হ'ব। প্ৰতিযোগিতাৰ শীৰ্ষ ৫টা দলে বিশ্বকাপত অৱতীৰ্ণ হোৱাৰ বাবে যোগ্যতা লাভ কৰিব।

০০০০০০০

সমাপ্ত